**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 05-04-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

HEDLINE

১। পহিলা ব'হাগৰ পৰা সকলো চৰকাৰী জাননী, অধিসূচনা অসমীয়া ভাষাত প্ৰকাশ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

২। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত শাসনত অধিষ্ঠিত বিজেপি আৰু ৰাভা-হাচং যৌথ মঞ্চৰ প্ৰাৰ্থীৰ সংখ্যাগৰিষ্ঠতা লাভ।

৩। সিংহলী ভাষালৈ ভাঙণি কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত দুটি বৰগীতৰ এলবাম প্ৰত্যক্ষ কৰি প্ৰধানমন্ত্ৰীৰ প্ৰশংসা।

৪। খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতাত কামৰূপ জিলাৰ এথলেটিক্‌ছ শাখাত শ্ৰেষ্ঠত্বৰ খিতাপ দখল।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ হাতত মুম্বাই ইণ্ডিয়ানছ ১২ ৰাণত পৰাজিত।

ooooo

ৰাজ্য চৰকাৰে পহিলা ব'হাগৰ পৰা সকলো চৰকাৰী জাননী, নিৰ্দেশনা, অধিসূচনা আদি ইংৰাজী ভাষাৰ উপৰি অসমীয়া ভাষাত প্ৰকাশ কৰাৰ সিদ্ধান্ত লৈছে। অৱশ্যে বৰাক উপত্যকাত বাংলা আৰু বিটিআৰত বড়ো ভাষাত অতিৰিক্তভাৱে প্ৰকাশ কৰা হ'ব। দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাৰ বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়, যে ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনভোগীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ বৃদ্ধি কৰাৰ বাবে অসম চৰকাৰে সিদ্ধান্ত লৈছে। তেওঁ লগতে কয়, যে অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকললৈ উন্নতমানৰ স্বাস্থ্য সেৱা, বিশেষকৈ বিনামূলীয়া ঔষধৰ সুবিধা আগবঢ়োৱাৰ বাবে স্বাস্থ্য বিভাগলৈ ১৯০ কোটি টকা মঞ্জুৰ কৰিছে।

সময়ৰ লগে লগে দুৰ্বল হৈ অহা ৰাজ্যৰ মথাউৰিসমূহৰ সুৰক্ষাৰ বাবে মথাউৰি নিৰীক্ষণ আৰু বান প্ৰস্তুতি সমিতি গঠনত মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়। জিলা আৰু সমজিলা পৰ্যায়ত এই সমিতিসমূহ গঠন কৰা হ'ব। সেই অনুসৰি মথাউৰিৰ ৮ৰ পৰা ১০ কিলোমিটাৰৰ ব্যৱধানত ১০ৰ পৰা ১৫ গৰাকী যুৱকক লৈ

নিৰীক্ষণ আৰু বান প্ৰস্তুতি সমিতি গঠন কৰা হ'ব। এই সমিতিসমূহে এপ্ৰিলৰ পৰা অক্টোবৰলৈ মথাউৰিসমূহ নিৰীক্ষণ কৰিব।

মন্ত্ৰীসভাই বিদেশী ন্যায়াধীকৰণত চলি থকা ২৮ হাজাৰ কোচ ৰাজবংশী লোকৰ গোচৰ তাৎক্ষণিকভাৱে প্ৰত্যাহাৰৰ সিদ্ধান্তও গ্ৰহণ কৰিছে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

বৈঠকত চাহ জনগোষ্ঠীৰ বাবেও কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ৭৫০ কোটি টকা ব্যয়ৰে ৫০০ চাহ বাগিচাত নিৰ্মাণ কৰা মহাপ্ৰভু জগন্নাথ সামুহিক ভৱন তথা দক্ষতা কেন্দ্ৰৰ তত্বাৱধান আৰু সঠিক কাৰ্যকলাপ সুনিশ্চিত কৰণৰ বাবে এখন ব্যৱস্থাপনা সমিতি গঠন কৰা হ'ব।

মন্ত্ৰীসভাৰ বৈঠকত জাগীৰোডত ১৪২ কোটি টকা ব্যয় সাপেক্ষ প্ৰায় এহেজাৰ কৰ্মৰত মহিলাৰ বাবে এটা অত্যাধুনিক হোষ্টেল নিৰ্মাণৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি নগৰ অঞ্চলত জলবায়ু পৰিৱৰ্তনৰ বিষয়ত নীতিগত হস্তক্ষেপৰ জৰিয়তে পৰামৰ্শ আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে অসম নগৰ জলবায়ু কেন্দ্ৰ স্থাপনত অনুমোদন জনোৱা হয়।

০০০০০

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত শাসনত অধিষ্ঠিত বিজেপি আৰু ৰাভা-হাচং যৌথ মঞ্চৰ প্ৰাৰ্থীয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। গোৱালপাৰা জিলাৰ ১৯ টা সমষ্টিৰ ১৭টা সমষ্টিত ৰাভা-হাচং যৌথ মঞ্চ আৰু বিজেপিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। আনহাতে কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এটাকৈ সমষ্টিত জয়লাভ কৰে। জিলাখনৰ ধূপধৰা সাধাৰণ পৰিষদীয় সমষ্টিত ৰাভা হাচং যৌথ মঞ্চৰ প্ৰাৰ্থী অনাদি সৰকাৰ বিপুল ভোটত জয়ী হয়। কোঠাকুটি সমষ্টিত বিজেপি প্ৰাৰ্থী ভৈৰৱ কছাৰী, দুধনৈ সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ উজ্বলা ব্ৰহ্ম, মাজজাখিলি সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰবোধ কলিতা, ৰংজুলি সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ মণিদীপা ৰাভা, ধনুভাঙা সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ ফণীন্দ্ৰ ৰাভা, হাৱাঘাট সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰতাপ ৰাভা আৰু কুশধোৱা-দৰংগিৰি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী পৰমা ৰাভাই বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰিছে। দক্ষিণ দুধনৈ সমষ্টিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ টংকেশ্বৰ ৰাভাই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বীক হৰুৱাই পুনৰ ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদ গঠনৰ পথ প্ৰশস্ত কৰে।

কামৰূপ জিলাৰ ১৪টা পৰিষদীয় সমষ্টিৰ ১০টাত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি, তিনিটা সমষ্টিত বিজেপি আৰু এটা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী জয়ী হৈছে।

বকো সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী সুমিত ৰাভা, জোঙাখুলি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অৰ্জুন ছেত্ৰী, উত্তৰ বনগাঁৱত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী আদিত্য ৰাভা, জাৰিহাট সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অশোক কুমাৰ ৰাভা, পাণ্টানত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰমাকান্ত ৰাভা, গোৱৰ্ধনত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী জ্যোতিষ চন্দ্ৰ ৰাভা, ৰাণী সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী পুষ্পাঞ্জলি কুমাৰী বড়ো, দক্ষিণ বনগাঁও সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী মিনতি ৰাভা, চানডুবিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী নৃপেন চন্দ্ৰ ৰাভা আৰু কুলচি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰশ্মি মালা ৰাভা, শিলপোটা সমষ্টিত বিজেপি প্ৰাৰ্থী

কমলেশ্বৰ ৰাভা, বামুনীগাঁও সমষ্টিত বিজেপি প্ৰাৰ্থী অজিৎ ৰাভা, বন্দাপাৰা সমষ্টিত বিজেপি প্ৰাৰ্থী মেঘালি ৰাভা আৰু লুকি সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী ৰেলিনা জে মাৰাক জয়ী হৈছে।

উল্লেখযোগ্য যে, ৰাভা-হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৬টা সমষ্টিৰ ৩টা সমষ্টিত এন ডি এ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বীতাৰে জয়লাভ কৰাত ৩৩ টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

ooooo

বিশিষ্ট গৱেষক তথা শ্ৰীলংকাস্থিত আই চি চি আৰৰ অধীনস্থ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ড০ অংকুৰণ দত্তৰ উদ্যোগত সিংহলী ভাষালৈ ভাঙণি কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত দুটি বৰগীতৰ এলবামটি কালি কলম্বোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰত্যক্ষ কৰে। শ্ৰী মোদীয়ে এই প্ৰয়াসৰ প্ৰশংসা কৰে। এই বিষয়ে ড০ অংকুৰণ দত্তই এইদৰে কয়–

***(বাইট ঃ ড০ অংকুৰণ দত্ত)***

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ বাতিল কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পৰিপ্ৰেক্ষিতত শিক্ষকসকল নিৰ্বাচনী কাম-কাজত ব্যস্ত থকাৰ উপৰি ২০ মে' পৰ্যন্ত নিৰ্বাচনী প্ৰক্ৰিয়া চলিবলগীয়া বিষয়টো বিবেচনা কৰি বিদ্যালয় শিক্ষা পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেষণা অনুসৰি প্ৰথমবৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো পৰীক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। কোনো শিক্ষানুষ্ঠান বা শিক্ষাৰ্থীয়ে পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়কেইটাৰ দক্ষতা পৰীক্ষা কৰিব বিচাৰিলে সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা অধ্যয়ন আৰু অনুশীলনৰ বাবে প্ৰশ্নকাকত সংগ্ৰহ কৰিব পাৰিব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। অৱশ্যে প্ৰশ্ন কাকতৰ টোপোলা খোলাৰ বাবে যিসমূহ শিক্ষানুষ্ঠানৰ বিৰুদ্ধে তদন্ত চলি আছে, তেনে শিক্ষানুষ্ঠানে সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা দক্ষতা পৰীক্ষাৰ বাবে প্ৰশ্ন কাকত আনিব নোৱাৰিব। পৰিষদে লগতে ছাত্ৰ-ছাত্ৰীসকলৰ একাদশ শ্ৰেণীৰ মাৰ্কশ্বিটসমূহ বিদ্যালয় শিক্ষা পৰিষদৰ সংমণ্ডল দুইৰ ৱেবছাইটৰ পৰা ডাউনলোড কৰিবলৈ শিক্ষানুষ্ঠানসমূহক কৰ্তৃত্ব প্ৰদান কৰিছে। নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি গোট পৰীক্ষা, ছমহীয়া পৰীক্ষা বা হৈ যোৱা প্ৰথমবৰ্ষৰ পৰীক্ষাকেইটাত লাভ কৰা গড় নম্বৰৰ ভিত্তিত বাকী থকা বিষয়কেইটাত ছাত্ৰ-ছাত্ৰীসকল নম্বৰ প্ৰদান কৰিব লাগিব। অহা ১৫ জুনৰ ভিতৰত নম্বৰ প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নিৰ্দেশ জাৰি কৰিছে।

ooooo

কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী আৰু শুৱালকুছিত আজি পৰম্পৰাগতভাৱে অশোকাষ্টমী মেলা আৰম্ভ হৈছে। অশ্বক্ৰান্ত দেৱালয়ৰ উদ্যোগত আয়োজিত মেলাত ব্ৰহ্মপুত্ৰ নৈৰ পাৰত থকা বিষ্ণুপদত অস্থি আৰু পিণ্ড বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যাত্ৰীসকলে পুৱাৰেপৰা নৈৰ পাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে। একেদৰে আজি পুৱাৰেপৰা শুৱালকুছিতো অশোকাষ্টমী উপলক্ষে ভক্তিপ্ৰাণ ৰাইজে ব্ৰহ্মপুত্ৰত স্নান কৰি মৃত আত্মীয়ৰ অস্থি বিসৰ্জন কৰিছে।

ooooo

অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন অহা ৯ এপ্ৰিলত যোৰহাটৰ মূল চৌহদত অনুষ্ঠিত হ'ব। এই সমাৱৰ্তনত অৰণ্য মানৱ যাদৱ পায়েং আৰু প্ৰকৃতিপ্ৰেমী গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মনলৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হ'ব। বিশ্ববিদ্যালয়ৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণি প্ৰেক্ষাগৃহত হ'বলগীয়া কাৰ্যসূচীত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৯ খন মহাবিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীৰ লগতে পি এইচ ডি লাভ কৰা ৫৪৮ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হ'ব।

০০০০০

গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ একবিংশতিতম কেন্দ্ৰীয় দ্বিবাৰ্ষিক অধিবেশনৰ আজি দ্বিতীয় দিনা সাংস্কৃতিক শোভাযাত্ৰা আৰু মুকলি সভাৰ আয়োজন কৰা হৈছে। অধিৱেশনৰ কালি প্ৰথম দিনা সংগঠনৰ পতাকা উত্তোলন, মূল তোৰণ উন্মোচন, মুকলি সভা আদিকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। সভাপতি পলাশ চাংমায়ে সংগঠনৰ পতাকা উত্তোলন কৰি অসমত পূৰ্ণ স্বায়ত্ত শাসন আৰু দ্বি-নাগৰিকত্ব ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। এই অধিবেশনৰ বাবে ১৫ খন উপ সমিতিয়ে ৰাজ্যখনৰ বিভিন্ন স্থানৰ পৰা অহা ৫ হাজাৰ প্ৰতিনিধিক আদৰণি জনোৱাৰ ব্যৱস্থা কৰিছে।

০০০০০

হোজাই জিলাৰ লংকাৰ ২ নম্বৰ পিপল পুখুৰীত অৱস্থিত শ্ৰী শ্ৰী শংকৰদেৱ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ কালিৰেপৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। আজি বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে সোণালী জয়ন্তী বৰ্ষৰ ৫০ খন পতাকা উত্তোলন কৰিব। কাইলৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। লগতে কাইলৈ হ'বলগীয়া মুকলি সভাত আমন্ত্ৰিত অতিথি হিচাপে জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত তথা সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থকাৰ কথা।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি দুই মিনিটত দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

News Paper REV./RNU/5-4-2025

ৱাকফ সংশোধনী বিধেয়কখন তুমুল বিতৰ্কৰ অন্তত লোকসভাৰ পাছত ৰাজ্যসভাতো কালি গৃহীত হয়। বিধেয়কখনৰ সপক্ষত ১২৮ গৰাকী সাংসদে ভোট প্ৰদান কৰাৰ বিপৰীতে ৰাজ্যসভাৰ ৯৫ গৰাকী সাংসদে ইয়াৰ বিৰোধিতা কৰে। ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ হলেই বিধেয়কখন আইনলৈ পৰিণত হব। বিৰোধী দলসমূহে ইয়াৰ বিৰোধিতাৰে উচ্চতম ন্যায়ালয়ৰ কাষ চপাৰ সিদ্ধান্ত লৈছে। অসমীয়া প্ৰতিদিন , নিয়মীয়া বাৰ্তা কাকতকে ধৰি

আজি প্ৰকাশিত আটাইকেইখন কাকততেই এই বাতৰিটোক গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত বিজেপি আৰু ৰাভা হাছং যৌথ মঞ্চই বৃহত জয় সাব্যস্ত কৰিছে। ভোটগণনা হোৱা ৩৬টা সমষ্টিৰ ৩৩টাতে বিজেপি আৰু যৌথ মঞ্চৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। এই বাতৰিটোৱে *দৈনিক জনমভূমি* , *দৈনিক অগ্ৰদূত* আদিকে ধৰি আজি প্ৰকাশিত আটাইকেইখন কাকততে প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। পণচায়ত* নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই বাতৰিটো আন কাকতসমূহৰ লগতে ইংৰাজী কাকত The Sentinal আৰু The Assam Tribune তো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে।

মুখ্যমন্ত্ৰী তদাৰকী কোষে দুৰ্নীতিগ্ৰস্ত প্ৰশাসনিক বিষয়াৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। আয় বৰ্হিভূত সম্পত্তিৰ গোচৰ সংক্ৰান্তত কালি মুখ্যমন্ত্ৰী তদাৰকী কোষে বজালী , দলগাঁও আৰু ছিপাঝাৰৰ তিনি এচিএছ বিষয়াৰ বিৰুদ্ধে কেবাটাও স্থানত অভিযান চলাই। বজালীৰ ৰাজহ চক্ৰ বিষয়া মাচুম ইউছুফ আহমেদ , দলগাঁৱৰ ৰাজহ চক্ৰ বিষয়া টনবীৰ ইউছুফ আহমেদ আৰু ছিপাঝাৰৰ চক্ৰবিষয়া ৰীতিমণি দাসৰ বিৰুদ্ধে অভিযানকাৰী দলে বহু আপত্তিজনক নথি পত্ৰ লাভ কৰিছে। এই বাতৰিটোক *অসমীয়া খবৰ* , *আমাৰ অসম* কাকতকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

হিন্দী চলচ্চিত্ৰৰ প্ৰবীণ অভিনেতা মনোজ কুমাৰৰ ৮৭ বছৰ বয়সত মুম্বাইৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত দেহাৱসান ঘটে। বহুকেইখন বিখ্যাত চলচ্চিত্ৰত অনন্য অভিনয়েৰে অভনেতাগৰাকীয়ে কোটি কোটি ভাৰতীয়ক মন্ত্ৰমুগ্ধ কৰিছিল। এই বাতৰিটোক আন কাকতসমূহৰ লগতে গুৱাহাটীৰ পৰা প্ৰকাশিত The Times of India কাকতেও আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে আয়োজন কৰা খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতাত কামৰূপ জিলাই ৪৯ পইণ্টেৰে দ্বিতীয়বাৰলৈ এথলেটিক্‌ছ শাখাত শ্ৰেষ্ঠত্বৰ খিতাপ দখল কৰিছে। কামৰূপ মহানগৰ জিলাই ৪৪ পইণ্টেৰে দ্বিতীয় আৰু ডিব্ৰুগড়ে ২৫ দশমিক ৫ পইণ্টেৰে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে।

গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত ল’ৰাৰ ১৭ বছৰ অনুৰ্ধৰ শাখাত কামৰূপ জিলাৰ মহৰ্ষি তনবীৰ বৰাই সোণৰ পদক, ২০০ মিটাৰ দৌৰত ৰূপৰ পদক অৰ্জন কৰাৰ লগতে দীপা দাসে লং জাম্পত ৰূপৰ পদক, জুনু বেগমে ১০০ মিটাৰ দৌৰত সোণ আৰু ২০০ মিটাৰ দৌৰত ৰূপৰ পদক অৰ্জন কৰিছে। ধৃতিমা উজিৰে ৪০০ মিটাৰ দৌৰত সোণৰ পদক লাভ কৰিছে। ১৭ বছৰ ঊৰ্ধৰ ছোৱালী শাখাত ডিম্পী মেধিয়ে সোণৰ পদক অৰ্জন কৰে। শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰা দলটিক ৰাজ্য চৰকাৰৰ ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোছাই বঁটা প্ৰদান কৰে।

প্ৰতিযোগিতাত ডিব্ৰুগড় জিলাই কাবাডীৰ ল’ৰাৰ ১৬ বছৰ অনুৰ্ধ শাখাত বিজয়ীৰ খিতাপ দখল কৰিছে। ৰাজ্যৰ মুঠ ৩৫ খন জিলাৰ ল’ৰা-ছোৱালীৰ দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত ল’ৰাৰ ১৬ বছৰ অনুৰ্ধৰ ফাইনেলত বিজয়ী ডিব্ৰুগড়ে দৰঙক ৩৬-২২ ত পৰাস্ত কৰে।

মুঠ ৭ হাজাৰ ৯৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ ৰাজ্যিক স্তৰৰ এই প্ৰতিযোগিতাসমূহ কাইলৈ সামৰণি পৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে মুম্বাই ইণ্ডিয়ানছক ১২ ৰাণত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ২০৪ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৯১ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ সূৰ্য কুমাৰ যাদৱে সৰ্বাধিক ৬৭ ৰাণ কৰে। লক্ষ্ণৌৰ হৈ দ্বিগৱেশ সিং ৰাঠি, শ্বাৰ্দুল ঠাকুৰ, আকাশ দীপ আৰু আৱেশ খানে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে লক্ষ্ণৌয়ে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ২০৩ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ মিশ্বেল মাৰ্ছে সৰ্বাধিক ৬০ ৰাণ কৰাৰ লগতে এইডেন মাৰক্ৰমে ৫৩ ৰাণ কৰে। মুম্বাইৰ হৈ হাৰ্দিক পাণ্ড্যিয়াই ৫টা উইকেট দখল কৰে। দ্বিগৱেশ সিং ৰাঠিক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। মুম্বাই ইণ্ডিয়ানছৰ প্ৰাক্তন অধিনায়ক ৰোহিত শৰ্মাই আঁঠুৰ আঘাতৰ বাবে প্ৰতিযোগিতাৰ পৰা বাহিৰত আছে।

প্ৰতিযোগিতাত আজি চেন্নাইত হ’বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন দিনৰ চাৰে ৩ বজাত আৰম্ভ হ’ব। আজি চণ্ডীগড়ত হ’বলগীয়া আন এখন খেলত ৰাজস্থান ৰয়েলছ পাঞ্জাৱ কিংছৰ মুখামুখি হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২০ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয় আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰত বতৰ খৰাং হৈ থাকিব

বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে। লগতে অসম, মেঘালয় আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে ধুমুহা আৰু বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰটোৱে জানিবলৈ দিছে।

ooooo

সমাপ্ত